# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 27-04-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ছিকিম ভ্ৰমণ কৰিব।

২।	পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ আজি সন্ধিয়া সামৰণি পৰিব।

৩।	ভাৰত আৰু নিউজিলেণ্ডে নতুন দিল্লীত আজি মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰ কৰাৰ কথা।

৪।	ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালে কালি ইউ এ ই-ৰ ৰাষ্ট্ৰপতিৰ সৈতে দুয়োখন দেশৰ ব্যাপক কৌশলগত অংশীদাৰিত্ব সন্দৰ্ভত আলোচনা কৰে।	*আৰু*

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতা যোৰা নিশা লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে ছুপাৰ অভাৰত জয়লাভ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ছিকিম ভ্ৰমণ কৰিব। শ্ৰীমোদীয়ে কাইলৈ গেংটকৰ অ'ৰ্চিদাৰিউম ভ্ৰমণ কৰিব। উল্লেখযোগ্য যে এই অঞ্চলটোত ৰাজ্যখনৰ পৰিবেশ আৰু ঐতিহ্যশালী পুষ্পসম্ভাৰ প্ৰদৰ্শন কৰিবলৈ বিশ্বমানৰ অৰ্কিড অভিজ্ঞতা কেন্দ্ৰ আছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে পালজোৰ ষ্টেডিয়ামত ৰাজ্যখনৰ ৫০ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কাৰ্যসূচীৰ সামৰণি অনুষ্ঠানতো অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত শ্ৰীমোদীয়ে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত প্ৰায় ৪ হাজাৰ কোটি টকাতকৈও অধিক ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে কেইবাটাও প্ৰকল্প মুকলি কৰিব। ৰাজ্যখনৰ সৰ্বাত্মক উন্নয়ন ত্বৰান্বিত কৰাৰ উদ্দেশ্যে এই প্ৰকল্পসমূহৰ অধীনত পৰ্যটন, কৃষি, পৰিবেশ, নগৰ উন্নয়ন, শক্তি, শিক্ষা, স্বাস্থ্য সেৱা, যোগাযোগ তথা আন্তঃগাঁথনিকে ধৰি বিভিন্ন খণ্ডক সামৰি লোৱা হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে এন আই টি দেওৰালীত ৩০ খন বিছনাযুক্ত সংহত ছোৱা ৰিগ্‌পা চিকিৎসালয় আৰু নামচি জিলাৰ য়াংগাঙত ১০০ খন বিছনাযুক্ত আয়ুৰ্বেদ চিকিৎসালয়ৰো আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে নামনি চামদং, নামচি আৰু গেংটক জিলাৰ যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ লগতে চিৰৱানীত  তিস্তা নৈৰ ওপৰত দুখনকৈ দুই-শৰীয়া বিশেষ দলঙৰ আধাৰশিলাও স্থাপন কৰিব।

০০০০০

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ আজি সন্ধিয়া সামৰণি পৰিব। ২৯ এপ্ৰিলত ভোটগ্ৰহণ হ'বলগীয়া এই পৰ্যায়ত ১৪২টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্যায়ত কলকাতা উত্তৰ, কলকাতা দক্ষিণ, হাওৰা, নাদিয়া, উত্তৰ চৌবিবশ পৰগনা, দক্ষিণ চৌবিবশ পৰগনা, হুগলী আৰু পূৰ্ব বৰ্ধমানত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

ৰাজ্যখনত সকলো ৰাজনৈতিক দলৰ নেতাসকলে ৰেলী আৰু ৰোডশ্ব'ত অংশ লৈ নিৰ্বাচনী প্ৰচাৰ চলাইছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জগতদলৰ জিলেপি মঠত প্ৰচাৰ সভাত ভাগ

ল’ব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বেহালা থানা আৰু চন্দননগৰ বাগবজাৰত দুটা ৰোডশ্ব’ত অংশ ল’ব। তৃণমূল কংগ্ৰেছৰ নেত্ৰী তথা ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে আজি কেইবাঠাইতো প্ৰচাৰ কাৰ্যসূচীত ভাগ ল’ব। তেওঁ যাদৱপুৰৰ সুকান্ত সেতুত যাদৱপুৰ আৰু তলিগঞ্জৰ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত এটা ৰেলীত অংশ ল’ব। শ্ৰীমতী বেনাৰ্জীয়ে তেওঁৰ নিজা সমষ্টি ভৱানীপুৰতো প্ৰচাৰ চলাব। তৃণমূল কংগ্ৰেছৰ সাধাৰণ সম্পাদক অভিষেক বেনাৰ্জীয়ে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ৰানাঘাট, হুগলী, আৰমবাগ আৰু মহেশতালাত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰিব।

ৰাজ্যখনত যোৱা ২৩ এপ্ৰিলত অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত ৯৩ দশমিক ১–৯ শতাংশ অভিলেখ ভোটদান হয়।

নিৰ্বাচন আয়োগে ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। আয়োগে সমষ্টিভিত্তিত নিৰাপত্তা বাহিনী নিয়োগ কৰাৰ উপৰি স্পৰ্শকাতৰ অঞ্চলসমূহত ভোটদাতাসকলে যাতে ভীতিহীন হৈ তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰিব পাৰে সেয়া নিশ্চিত কৰিবলৈ নিৰাপত্তা বাহিনীক নিৰ্দেশ দিছে। ৰাজ্যখনৰ তিনিখন জিলাৰ নিৰ্বাচনী বিষয়া, জ্যেষ্ঠ আৰক্ষী বিষয়া আৰু কেন্দ্ৰীয় বাহিনীৰ কামাণ্ডাৰসকলৰ সৈতে এখন উচ্চ পৰ্যায়ৰ বৈঠকত কালি নিৰ্বাচন আয়োগে অহা ২৯ এপ্ৰিলত নিৰ্বাচন হ’বলগীয়া ১৪২টা সমষ্টিৰ ভোটগ্ৰহণৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। বৈঠকত কলকাতাৰ আৰক্ষী অধীক্ষক, কলকাতা উত্তৰ, দক্ষিণ আৰু দক্ষিণ চৌবিবশ পৰগনাৰ জিলা নিৰ্বাচন বিষয়া. ৰিটাৰ্নিং বিষয়া, সাধাৰণ আৰু আৰক্ষী পৰ্যবেক্ষকেও অংশগ্ৰহণ কৰে। ইপিনে ৰাজ্যখনৰ মুখ্য নিৰ্বাচন বিষয়া মনোজ কুমাৰ আগৰৱালাই কালি বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলৰ সৈতে এখন বৈঠকত অংশ লৈ তেওঁলোকক ভোটদাতাসকলক মুক্তভাৱে ভোটদান কৰিবলৈ উৎসাহিত কৰাৰ বাবে আহ্বান জনায়। তেওঁ কয়, যে প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰতে চি চি টিভি কেমেৰা স্থাপন কৰা হৈছে আৰু সকলো কেন্দ্ৰতে কেন্দ্ৰীয় বাহিনী নিয়োগ কৰা হৈছে। তদুপৰি কোনো অকৰ্তৃত্বশীল লোকক ভোটগ্ৰহণ কেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত প্ৰৱেশৰ অনুমতি দিয়া নহয় বুলি মুখ্য নিৰ্বাচন বিষয়াগৰাকীয়ে প্ৰকাশ কৰে।

উল্লেখযোগ্য যে অসম, কেৰলম, পশ্চিমবংগ, তামিলনাডু আৰু কেন্দ্ৰীয়শাসিত অঞ্চল পুডুচেৰীৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনা অহা ৪ মে’ত অনুষ্ঠিত হ’ব।

০০০০০

ভাৰত আৰু নিউজিলেণ্ডে নতুন দিল্লীত আজি মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰ কৰিব বুলি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ূষ গোৱেলে প্ৰকাশ কৰে। নিউজিলেণ্ডৰ বাণিজ্য আৰু বিনিয়োগ মন্ত্ৰী টড মেক্‌লেইৰ সৈতে আগ্ৰাৰ তাজমহল পৰিদৰ্শনৰ সময়ত শ্ৰীগোৱেলে কয়, যে বছৰ বছৰ ধৰি উচ্চ পৰ্যায়ৰ আলোচনাৰ অন্তত দেশ দুখনৰ মাজত এই চুক্তি চূড়ান্ত কৰা হৈছে আৰু দুয়োজন নেতাৰ উপস্থিতিত এই মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰ কৰা হ’ব। এই চুক্তিৰ মূল লক্ষ্য হৈছে অহা ৫ বছৰত দেশ দুখনৰ মাজত দ্বিপাক্ষিক বাণিজ্য দুগুণ কৰি ৫০০ কোটি টকালৈ বৃদ্ধি কৰা।

এই চুক্তিৰ ফলত হোৱা অৰ্থনৈতিক লাভালাভ সন্দৰ্ভত আলোকপাত কৰি শ্ৰীগোৱেলে কয়, যে এই চুক্তিয়ে ভাৰতীয় সামগ্ৰীৰ বজাৰৰ উন্নতি সাধন কৰাৰ লগতে বাণিজ্যৰ সুযোগ বৃদ্ধি কৰিব। চামৰা, বস্ত্ৰশিল্প, হস্ততাঁত, হস্তশিল্প, দলিচা, মচলা আদি খণ্ডত আগ্ৰাৰ স্থানীয় ব্যৱসায়ীসকলক সাক্ষাৎ কৰি নেতা দুগৰাকীয়ে তেওঁলোকৰ কামৰ প্ৰশংসা কৰে। ভাৰতৰ ভৱিষ্যতৰ ৰপ্তানীৰ ক্ষেত্ৰত আগ্ৰাই গুৰুত্বপূৰ্ণ ভূমিকা পালন

কৰিব বুলি উল্লেখ কৰি শ্ৰীগোৱেলে কয়, যে বজাৰত প্ৰৱেশৰ সহজলভ্যতা বৃদ্ধি আৰু নিউজিলেণ্ডৰ সৈতে শক্তিশালী বাণিজ্যিক সম্পৰ্কই চহৰখনৰ ঔদ্যোগিক খণ্ডৰ উন্নয়নত সহায় কৰিব।

ooooo

ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালে কালি সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি মহম্মদ বিন জায়েদ অল নাহিয়ানৰ সৈতে আলোচনাত মিলিত হয়। দুয়োজনে দেশ দুখনৰ মাজৰ ব্যাপক কৌশলগত অংশীদাৰিত্ব সুদৃঢ় কৰাৰ উপৰি আঞ্চলিক পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰে। ইউ এ ইত থকা ভাৰতীয় দূতাবাসে জনোৱা মতে আৰব দেশ ভ্ৰমণৰ সময়ত শ্ৰীডোভালে ৰাষ্ট্ৰপতিগৰাকীক সাক্ষাৎ কৰি প্ৰধানমন্ত্ৰী মোদীৰ হৈ শুভেচ্ছা জ্ঞাপন কৰে। উল্লেখযোগ্য যে চলিত মাহৰ আৰম্ভণিতে ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টাগৰাকীয়ে চৌদি আৰবৰ জ্যেষ্ঠ নেতাসকলক সাক্ষাৎ কৰি দ্বিপাক্ষিক সম্পৰ্ক, আঞ্চলিক পৰিস্থিতি আৰু পাৰস্পৰিক স্বাৰ্থ সম্বলিত অন্যান্য বিষয়ত আলোচনা কৰিছিল।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু গ্ৰীষ্মকালীন অৱস্থানৰ বাবে আজিৰে পৰা ৫ দিনীয়া ভ্ৰমণসূচীৰে হিমাচললৈ যাব। এই ভ্ৰমণৰ সময়ছোৱাত ৰাষ্ট্ৰপতিগৰাকীয়ে ছিমলাৰ মাশ্ব'ব্ৰাস্থিত ৰাষ্ট্ৰপতি নিবাসত থাকিব। ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ ছিমলাৰ লোকভৱনত হিমাচল প্ৰদেশৰ ৰাজ্যপালগৰাকীয়ে আয়োজন কৰা ভোজমেলত অংশগ্ৰহণ কৰিব। অহা বুধবাৰে শ্ৰীমতী মুৰ্মুৱে অটল টানেল পৰিদৰ্শন কৰিব। অহা বৃহস্পতিবাৰে পালমপুৰত অৱস্থিত চৌধুৰী ছাৰৱান কুমাৰ হিমাচল প্ৰদেশ কৃষি বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই ভ্ৰমণৰ অন্তিম দিনা ৰাষ্ট্ৰপতিগৰাকী ছিমলাস্থিত আৰ্মী ট্ৰেইনিং কামাণ্ডো পৰিদৰ্শন কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে উত্তৰ প্ৰদেশ ভ্ৰমণ কৰিব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰীমোদীয়ে বাৰানসীত হ'বলগীয়া এখন মহিলা সন্মিলনত অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে ৬ হাজাৰ কোটি টকাতকৈও অধিক ব্যয়সাপেক্ষে ৰাজ্যখনত নিৰ্মাণ হ'বলগীয়া কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে অযোধ্যাৰ পৰা মুম্বাইলৈ আৰু বাৰানসীৰ পৰা পুণেলৈ দুখন নতুন অমৃত ভাৰত এক্সপ্ৰেছ ৰে'ল সেৱা মুকলি কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে শ্ৰীকাশী বিশ্বনাথ মন্দিৰ দৰ্শন কৰি পূজা-অৰ্চনা কৰিব। এই ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰীগৰাকীয়ে অহা বুধবাৰে হাৰ্ডৈলৈ গৈ গংগা এক্সপ্ৰেছৱে মুকলি কৰিব। উল্লেখযোগ্য যে ৫৯৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই দ্ৰুতগতিৰ ঘাইপথটো ছয়লেনযুক্ত যদিও ইয়াক আঠলেনযুক্ত পথলৈ সম্প্ৰসাৰণ কৰাৰ সুবিধা আছে। ৩৬ হাজাৰ কোটি টকাতকৈও অধিক ব্যয় সাপেক্ষে এই প্ৰকল্পটো নিৰ্মাণ কৰা হৈছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতা যোৱা নিশা লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে ছুপাৰ অভাৰত জয়লাভ কৰে। লক্ষ্ণৌৱে ১৫৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৫৫ ৰান সংগ্ৰহ কৰাত খেলখন টাই হয়। পাছত ছুপাৰ অভাৰত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ২ উইকেটৰ বিনিময়ত ১ ৰান সংগ্ৰহ কৰাত কলকাতা নাইট ৰাইডাৰ্ছক জয়ৰ বাবে ৬টা বলত ২ ৰানৰ প্ৰয়োজন হয়। ৰিংকু সিঙে

প্ৰথমটো বলতে ৪ ৰান কৰি কলকাতাৰ হৈ বিজয় নিশ্চিত কৰে। ৰিংকু সিঙক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইপিনে এম এ চিদাম্বৰম ষ্টেডিয়ামত বিয়লি অনুষ্ঠিত আন এখন খেলত কালি গুজৰাট টাইটানছে চেন্নাই ছুপাৰ কিংছক ৮ উইকেটত পৰাস্ত কৰে।

প্ৰতিযোগিতাত আজি অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত দেলহী কেপিটেলছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত